**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-11-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমত পালন কৰি থকা ভাষা গৌৰৱ সপ্তাহ উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

২। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি অষ্ট্ৰেলিয়াৰ ব্ৰীছবেনত ভাৰতৰ নতুন কনচ'লেট জেনেৰেল আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

৩। উত্তৰাখণ্ডৰ আলমোৰা জিলাত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত ২৩ জন লোকৰ প্ৰাণহানি হৈছে।

*আৰু*

৪। নতুন আৰু নবীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি কৈছে যে, ভাৰতে ২০৩০ চনৰ ভিতৰত ৫০০ গিগাৱাট নবীকৰণযোগ্য শক্তি লাভ কৰাৰ লক্ষ্যৰে ৯০ গিগাৱাট সৌৰ শক্তি স্থাপন কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই মাহৰ ৩ৰ পৰা ৯ তাৰিখলৈ অসমত পালন কৰি থকা ভাষা গৌৰৱ সপ্তাহ উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰীয়ে ভাষা গৌৰৱ সপ্তাহৰ বিষয়ে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এটা পোষ্ট শ্বেয়াৰ কৰি তেওঁ কয় যে, এই সপ্তাহটো অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়া উপলক্ষে অসমৰ জনসাধাৰণৰ উদ্যমৰ প্ৰতীক। তেওঁ কয় যে, এই সপ্তাহটোত উদযাপন কৰিবলগীয়া বিভিন্ন কাৰ্যসূচীয়ে বিভিন্ন সংস্কৃতি আৰু জনসাধাৰণৰ সংযোগ গভীৰ কৰি তুলিব। প্ৰধানমন্ত্ৰীয়ে অসমৰ বাহিৰৰ লোক সকলকো এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। ভাষা গৌৰৱ সপ্তাহৰ মূল উদ্দেশ্যে হৈছে অসমীয়া ভাষাৰ বৈচিত্ৰ্য আৰু উত্তৰাধিকাৰ উদযাপন কৰা।

উল্লেখযোগ্য যে, অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰা উপলক্ষে ৰাজ্যজুৰি কালিৰেপৰা ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰা হৈছে। অসমীয়াৰ লগতে ৰাজ্যৰ অন্যান্য জনগোষ্ঠীয় ভাষা আৰু বৰ্ণিল সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰৰ উদ্দেশ্যে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

০০০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি অষ্ট্ৰেলিয়াৰ ব্ৰীছবেনত ভাৰতৰ নতুন কনচ'লেট জেনেৰেল আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত সভাত ভাষণ দি ড০ এছ্ জয়শংকৰে কয় যে, এই কনচ'লেট জেনেৰেলে কুইন্সলেণ্ডৰ সৈতে ভাৰতৰত সম্পৰ্ক শক্তিশালী কৰা, ব্যৱসায়-বাণিজ্য প্ৰসাৰিত কৰা আৰু শৈক্ষিক সংযোগ গঢ়ি তোলা তথা প্ৰবাসীসকলক সেৱা আগবঢ়োৱাত অৰিহণা যোগাব। মন্ত্ৰীগৰাকীয়ে এই উদ্বোধন

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত ক্ৰমাৎ শক্তিশালী হৈ অহা দ্বিপাক্ষিক সম্পৰ্কক মাইলৰ খুঁটি বুলি অভিহিত কৰে। তেওঁ লগতে কয় যে, কনচ'লেট জেনেৰেল হৈছে যোৱা বছৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অষ্ট্ৰেলিয়াত ভাৰতীয় সম্প্ৰদায়ক দিয়া প্ৰতিশ্ৰুতিৰ বাস্তবিক ৰূপ।

বিদেশ মন্ত্ৰীগৰাকীয়ে কুইন্সলেণ্ডৰ গৱৰ্নৰৰ ড০ জিন্নেত য়ঙকো সাক্ষাৎ কৰে। এই সাক্ষাৎৰ সময়ছোৱাত দুয়োগৰাকী নেতাই ভাৰত আৰু কুইন্সলেণ্ডৰ মাজত অৰ্থনৈতিক, বাণিজ্যিক আৰু বিনিয়োগৰ সহযোগিতা শক্তিশালী কৰা সুযোগ আৰু উপায়সমূহৰ বিষয়ে আলোচনা কৰে।

০০০০০০০

উত্তৰাখণ্ডৰ আলমোৰা জিলাত আজি পুৱা এখন যাত্ৰীবাহী বাছ দ' খাৰৈত বাগৰি পৰাৰ ফলত ৩৬ জন লোকৰ প্ৰাণহানি হোৱাৰ লগতে ভালেসংখ্যক লোক আহত হৈছে। সংবাদ মাধ্যমৰ তথ্য অনুসৰি গাউলিখাল পৰা ৰামনগৰ অভিমুখে গৈ থকা বাছখন আলমোৰাৰ কুপি গাঁৱৰ সমীপত দুৰ্ঘটনাত পতিত হয়। প্ৰায় ৫১ জন যাত্ৰী থকা বাছখন ২০০ মিটাৰ দ' খাৰৈত বাগৰি পৰাৰ ফলত হতাহতৰ সংখ্যা বৃদ্ধি পাব বুলি আশংকা কৰা হৈছে। আৰক্ষী আৰু এছ ডি আৰ এফৰ জোৱানসকলে ইতিমধ্যে দুৰ্ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ কাৰ্য আৰম্ভ কৰিছে।

উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি গভীৰ সমবেদনা কৰিছে। সামাজিক মাধ্যম যোগে দিয়া এটা পোষ্টত শ্ৰী ধামীয়ে কয় যে, স্থানীয় প্ৰশাসন আৰু এছ ডি আৰ এফৰ দলে ঘটনাস্থলীত উদ্ধাৰকাৰ্য চলাই আছে আৰু আঘাতপ্ৰাপ্তসকলক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে। তেওঁ লগতে কয় যে, গুৰুতৰভাৱে আহতসকলক বিমান যোগে চিকিৎসালয়লৈ লৈ যোৱাৰ ব্যৱস্থা কৰিবলৈও নিৰ্দেশ দিয়া হৈছে।

০০০০০০০

নতুন আৰু নবীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি কৈছে যে, ভাৰতে ২০৩০ চনৰ ভিতৰত ৫০০ গিগাৱাট নবীকৰণযোগ্য শক্তি লাভ কৰাৰ লক্ষ্যৰে ৯০ গিগাৱাট সৌৰ শক্তি স্থাপন কৰিছে। শ্ৰী যোশীয়ে নতুন দিল্লীত আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰতাৰ সপ্তম সত্ৰৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি এইদৰে কয়। মন্ত্ৰীগৰাকীয়ে কয় যে, চৰকাৰে ৩৭ দশমিক ৫ গিগাৱাট নবীকৰণযোগ্য শক্তিৰ ৫০ খন সৌৰ উদ্যানৰ বাবে অনুমোদন জনাইছে। তেওঁ লগতে কয় যে এইবছৰ বিশ্বৰ সৌৰ খণ্ডই প্ৰায় ২ টেৰাৱাট স্থাপন কৰা সৌৰ ফটোভল্টায়িক ক্ষমতা লাভ কৰিবলৈ সাজু হৈছে। উল্লেখযোগ্য যে এইবাৰৰ আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰতা অধিৱেশন ভাৰতৰ অধ্যক্ষতাত আৰু সহ-অধ্যক্ষতাত অনুষ্ঠিত হৈছে।

০০০০০০০

ষঠ পূজা উপলক্ষে ৰে'ল বিভাগে যাত্ৰীৰ সুবিধা আৰু সুচল যাত্ৰাৰ বাবে বিশেষ ৰে'লগাড়ী চলোৱাৰ ব্যৱস্থা কৰিছে। যাত্ৰীৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি আজি ১৮৫ খন বিশেষ ৰে'ল গাড়ী চলোৱা হৈছে আৰু প্ৰায় ২৫খন উৎসৱ বিশেষ ৰে'ল দিল্লী এন চি আৰৰ পৰা বিভিন্ন প্ৰান্তলৈ চলোৱা হৈছে। ইয়াৰ ভিতৰত ছাহৰছা, বাৰানসী, আয়োধ্যা, লক্ষ্ণৌ, পাটনা, মুজাফৰপুৰ, গোড়খপুৰ, প্ৰয়াগৰাজ, দ্বাৰভাংগা, ইন্দোৰ আৰু থিৰুৱানন্তপুৰমলৈ বিশেষ ৰে'লগাড়ী চলোৱাৰ ব্যৱস্থা কৰা হৈছে।

আকাশবাণীৰ সৈতে হোৱা কথাবতৰাত উত্তৰ ৰে'লৱেৰ মুখ্য জনসংযোগ বিষয়া হিমাংশু শেখৰ উপাধ্যায়ে কয় যে, ৰে'ল বিভাগে নিয়মীয়া ৰে'লৰ উপৰি উৎসৱ বিশেষ ৰে'লগাড়ী চলাই আছে। ৰে'ল বিভাগে দৈনিক অতিৰিক্ত দুই লাখ যাত্ৰীৰ যাতায়াতৰ সুবিধা প্ৰদান কৰি আহিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ঝাৰখণ্ডত বিজেপি নেতৃত্বাধীন এন ডি এৰ প্ৰাৰ্থীৰ হৈ ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনী প্ৰচাৰৰ বাবে দুখন ৰেলীত ভাগ ল'ব। ঝাৰখণ্ডৰ বিজেপিৰ সভাপতি তথা প্ৰাক্তন মুখ্যমন্ত্ৰী বাবুলাল মাৰাণ্ডিয়ে কৈছে যে প্ৰধানমন্ত্ৰীয়ে গড়ৱাহত প্ৰথমখন ৰাজহুৱা সভা আৰু দুপৰীয়া প্ৰায় ৩ বজাত চাইবাছাত দ্বিতীয়খন সভাক সম্বোধন কৰিব। উল্লেখযোগ্য যে ঝাৰখণ্ডত নিৰ্বাচনী সময়সূচী ঘোষণা কৰাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এইখন হ'ব প্ৰথমখন নিৰ্বাচনী ৰেলী। ৰাজ্যখনত অহা ১৩ আৰু ২০ নৱেম্বৰত দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

০০০০০০০

মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ আজি অন্তিম দিন। যোৱা ৩০ অক্টোবৰত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হয়। ৰাজ্যখনৰ ২৮৮টা বিধানসভা নিৰ্বাচনৰ বাবে ৭ হাজাৰ ৯৯৪ প্ৰাৰ্থীয়ে দাখিল কৰা মনোনয়ন পত্ৰ বৈধ ঘোষণা কৰা হৈছে। উল্লেখযোগ্য যে ৰাজ্যখনত অহা ২০ নৱেম্বৰত এটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰধান দলসমূহৰ ভিতৰত বিজেপি, শিৱসেনা, এন চি পি মিত্ৰজোঁটৰ শাসনাধিষ্ঠ মহাযুটি আৰু কংগ্ৰেছ, শিৱসেনা ইউ বি টি আৰু শৰদচন্দ্ৰ পাৱাৰ গোটৰ এন চি পি মহা বিকাশ অঘড়ী মিত্ৰজোঁট অন্যতম। এই নিৰ্বাচনত সৰু সৰু ৰাজনৈতিক দল আৰু কেইবাগৰাকীও নিৰ্দলীয় প্ৰাৰ্থীও প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

০০০০০০০

অসমৰ পাঁচটা বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে সংশ্লিষ্ট জিলা প্ৰশাসনসমূহৰ সহযোগত নিৰ্বাচনী বিভাগে নিৰ্বাচনত নিয়োজিত হ'বলগীয়া বিষয়াসকলৰ প্ৰশিক্ষণকে ধৰি যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে।

ইপিনে শাসকীয় বিজেপি আৰু বিৰোধী দল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহে নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। চিৰাং জিলাৰ চিদলী সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ কেবাজনো জ্যেষ্ঠ বিজেপি নেতাৰ লগতে ইউ পি পি এল দলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। আজি সমষ্টিটোত মন্ত্ৰী অশোক সিংহল, ডাঃ ৰণোজ পেগু আৰু নন্দিতা গাৰ্লোচাই প্ৰচাৰ অভিযান চলাব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে। ইপিনে সমষ্টিটোত কংগ্ৰেছ দলেও প্ৰচাৰ অভিযান চলাই আছে। আজি বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব।

০০০০০০০

ষষ্ঠদশ বিত্ত আয়োগৰ অধ্যক্ষ ড০ অৰবিন্দ পানাগাৰিয়াসহ এটা প্ৰতিনিধি দল আজি চাৰি দিনীয়া ভ্ৰমণসূচীলৈ নাগালেণ্ডলৈ যাব। প্ৰতিনিধি দলটোৱে ৰাজ্যখনৰ বিত্তিয় আঁচনি আৰু উন্নয়নৰ সৈতে জড়িত বিভিন্ন বিষয়ৰ পৰ্যালোচনা কৰিব। বিত্ত আয়োগৰ প্ৰতিনিধি দলটোৱে কহিমাত মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ' আৰু তেওঁৰ মন্ত্ৰী সভাৰ সদস্য তথা আন আন বিশিষ্ট চৰকাৰী বিষয়াসকলকো সাক্ষাৎ কৰিব। দলটোৱে ইয়াৰ উপৰি বিভিন্ন ৰাজনৈতিক দল, স্থানীয় সংস্থা তথা বাণিজ্য আৰু উদ্যোগখণ্ডৰ প্ৰতিনিধিসকলৰ সৈতেও আলোচনা কৰিব।

০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **চাইবাৰ অপৰাধৰ বিৰুদ্ধে যুঁজ,** এই সন্দৰ্ভত ভাৰতীয় চাইবাৰ অপৰাধ সহযোগিতা কেন্দ্ৰৰ সঞ্চালক ৰূপা এম আৰু দিল্লী আৰক্ষীৰ বিশেষ শাখাৰ যুটীয়া আয়ুক্ত ৰাজনীশ গুপ্তাৰ সৈতে হোৱা এটা বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তিদ্বয়ক চাইবাৰ অপৰাধ সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে লগতে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব অথবা হেষ্টেগ AskAir যোগে সামাজিক মাধ্যম X-ত প্ৰশ্ন সুধিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেৰছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০০

ভাৰতীয় উইকেটকীপাৰ ৰিদ্ধিমান সাহাই ক্ৰিকেটৰ পৰা অৱসৰ লোৱাৰ কথা ঘোষণা কৰি কয় যে চলিত ৰঞ্জী ট্ৰফী শৃংখলাই তেওঁৰ অন্তিমখন খেল হ'ব। ২০১০ চনত আন্তঃৰাষ্ট্ৰীয় খেলত অভিষেক ঘটাৰ পাছত পশ্চিমবংগৰ ৪০ বছৰীয়া উইকেটকীপাৰগৰাকীয়ে ৪০খন টেষ্ট আৰু ৯খন এদিনীয়া মেচত অংশগ্ৰহণ কৰে। খেলুৱৈগৰাকীয়ে সামাজিক মাধ্যমৰ এটা পোষ্টযোগে ঘোষণা কৰে যে ক্ৰিকেতৰ জগতত এটা বৰ্ণিল যাত্ৰা পাৰ কৰাৰ পাছত এই খেলখনেই তেওঁৰ অন্তিমখন খেল হ'ব। তেওঁ লগতে উল্লেখ কৰে যে অন্তিমবাৰৰ বাবে পশ্চিমবংগক প্ৰতিনিধিত্ব কৰিবলৈ পায় তেওঁ গৌৰৱ অনুভৱ কৰিছে।

০০০০০০

সমাপ্ত